# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 08-07-2025
**Time :** 1845 HRS

## *Assamese Evening Bulletin*
## Headlines
-------------------

১। ধুবুৰী জিলাৰ চাপৰৰ তিনিটা স্থানত প্ৰশাসনৰ উচ্ছেদ অভিযান। সন্তোষপুৰৰ উচ্ছেদস্থলীত উত্তপ্ত পৰিস্থিতি নিয়ন্ত্ৰণৰ বাবে আৰক্ষীৰ লাঠীচালনা।

২। ধুবুৰীৰ চিৰাকুটা, চৰুৱাবাখৰা আৰু সন্তোষপুৰত ৮০ শতাংশ উচ্ছেদ সম্পূৰ্ণ হোৱা বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ গোৰেশ্বৰত প্ৰকাশ।

৩। ভূমিস্খলনৰ ফলত লামডিং-বদৰপুৰ ৰে'ল পথত পাহাৰৰ শিল-বালি জমা হোৱাত ১২ খন ৰে'লৰ সেৱা পুনৰ ১২ জুলাইলৈ বাতিল।

৪। উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষৰ নামভৰ্তিৰ বাবে ১২ জুলাইলৈ দৰ্পন প'ৰ্টেল পুনৰ মুকলি ৰাখিবলৈ অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদৰ নিৰ্দেশনা।

*আৰু*

৫। ৰাজ্যৰ বিভিন্ন জিলাত জাপানীজ এনকেফেলাইটিছ সদৃশ ৰোগৰ প্ৰাদুৰ্ভাৱ বৃদ্ধি। স্বাস্থ্য বিভাগৰ সজাগতামূলক ব্যৱস্থা গ্ৰহণ।

ooooo

ধুবুৰী জিলা প্ৰশাসনে আজি চাপৰ ৰাজহ চক্ৰৰ অন্তৰ্গত চিৰাকুটা, চৰুৱাবাখৰা আৰু সন্তোষপুৰৰ লগতে আন কেইবাটাও অঞ্চলত উচ্ছেদ অভিযান চলায়। তাপবিদ্যুৎ প্ৰকল্প নিৰ্মাণৰ বাবে ৰাজ্য চৰকাৰে আৱণ্টন কৰা প্ৰায় ৩ হাজাৰ ৪০০ বিঘা ভূমিত থকা এহেজাৰ ৬৯টা পৰিয়ালক জিলা প্ৰশাসনে উচ্ছেদ কৰে। সহস্ৰাধিক আৰক্ষী আৰু অৰ্ধসামৰিক বাহিনীৰ উপস্থিতিত চলোৱা উচ্ছেদৰ সময়ত উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি হয়। একাংশ উচ্ছেদিতই ঘৰ ভাঙিবলৈ অহা এছকেভেটৰলৈ শিলগুটি নিক্ষেপ কৰে। পৰিস্থিতি নিয়ন্ত্ৰণ কৰিবলৈ আৰক্ষীয়ে লাঠীচালনা কৰে। আমাৰ ধুবুৰীৰ সংবাদদাতাই জনোৱা অনুসৰি বিধায়ক অখিল গগৈ উচ্ছেদস্থলীত উপস্থিত হোৱাৰ পাছতে একাংশ ৰাইজে আৰক্ষীক আক্ৰমণ কৰিবলৈ উদ্যত হয়। বিধায়ক অখিল গগৈক ধুবুৰী আৰক্ষীয়ে আটক কৰি চাপৰ থানাত কিছুসময়ৰ ৰখাৰ পাছত গোৱালপাৰা জিলাত মুকলি কৰি দিয়ে। উল্লেখযোগ্য যে উত্তপ্ত পৰিস্থিতি সৃষ্টি হোৱাৰ পৰিপ্ৰেক্ষিতত দিনৰ ভাগত অঞ্চলটোত উচ্ছেদ অভিযান স্থগিত ৰখা হয়।

ooooo

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই ধুবুৰী জিলাৰ চাপৰ ৰাজহ চক্ৰৰ অন্তৰ্গত চিৰাকুটা, চৰুৱাবাখৰা আৰু সন্তোষপুৰত প্ৰশাসনে চলোৱা উচ্ছেদ কাৰ্য প্ৰায় ৮০ শতাংশ সম্পূৰ্ণ হৈছে বুলি প্ৰকাশ কৰিছে। তেওঁ গোৰেশ্বৰত সাংবাদিকৰ সৈতে হোৱা কথা বতৰাত কয়, যে তেওঁৰ চৰকাৰ ৰাজ্যখনৰ ভূমিৰ দখল মুক্ত কৰিবলৈ বদ্ধপৰিকৰ আৰু চাপৰৰ দৰে উচ্ছেদ অভিযান আন জিলাতো অব্যাহত থাকিব বুলি তেঁও ঘোষণা কৰে।

**বাইট (চি এম)**

ইপিনে চাপৰৰ সন্তোষপুৰৰ উচ্ছেদস্থলীত উপস্থিত হোৱাৰ পাছত আৰক্ষীয়ে আটক কৰা বিধায়ক অখিল গগৈয়ে এই উচ্ছেদ অভিযানক বেআইনী আৰু অযুক্তিকৰ বুলি অভিযোগ কৰিছে। তেওঁ উচ্ছেদিত লোকসকলক ৫ লাখ টকাৰ পৰা ২০ লাখ টকাৰ ভিতৰত ক্ষতিপূৰণ আৰু বিকল্প ভূমি আৱণ্টন দিবলৈকো দাবী জনায়।

**বাইট (অখিল গগৈ)**

ooooo

উত্তৰ-পূব সীমান্ত ৰে'লৱেৰ লামডিং-বদৰপুৰ পাহাৰ ৰে'ল লাইনৰ মুপা-দিহাখো ষ্টেচনৰ মাজত কালি পুৱাৰ ভাগত হোৱা ভূমিস্খলনৰ পৰিপ্ৰেক্ষিতত ১২খন ৰে'লৰ যাত্ৰা ১২ জুলাইলৈ পুনৰ বাতিল কৰা হৈছে। ভূমিস্খলনৰ ফলত ৰে'লপথত শিল-বালি জমা হোৱাৰ বাবে ছখন ৰে'লৰ সেৱা আংশিকভাৱে বাতিল কৰা হৈছে। তদুপৰি দুখন ৰে'লৰ যাত্ৰাৰ সময় পুনৰনিৰ্ধাৰণ কৰা হৈছে বুলি উত্তৰ-পূব সীমান্ত ৰে'লৱেৰ সূত্ৰত প্ৰকাশ পাইছে। আমাৰ আগৰ বাতৰিতে কোৱা হৈছে যে কালি মুপা-দিহাখো ষ্টেচনৰ মাজত পাহাৰৰ পৰা খহি পৰা মাটি আৰু শিল আঁতৰাই আগৰতলা-ৰাণী-কমলাপতি স্পেচিয়েল এক্সপ্ৰেছ আৰু শিলচৰ-শিয়ালদহ-কাঞ্চনজংঘা এক্সপ্ৰেছ বিপজ্জনক পৰিস্থিতিত চলাচল কৰোৱা হয়। এনে পৰিস্থিতিত কালি ৰাজ্যসভাৰ সাংসদ কনাড পুৰকাযস্থৰ নেতৃত্বৰ এটা দলে উত্তৰ-পূব সীমান্ত ৰে'লৱেৰ মহাপ্ৰবন্ধক চেতন শ্ৰীবাস্তৱক সাক্ষাৎ কৰে।

ooooo

অসম প্ৰকাশন পৰিষদে পৰহিলৈৰ পৰা ২০ জুলাইলৈকে গুৱাহাটীৰ চানমাৰিৰ অসম অভিযান্ত্ৰিক প্ৰতিষ্ঠানৰ খেলপথাৰত গুৱাহাটী শিশু মহোৎসৱৰ আয়োজন কৰা হৈছে। এই মহোৎসৱত শিশু গ্ৰন্থমেলা, সাংস্কৃতিক প্ৰতিযোগিতাকে ধৰি কেইবাটাও কাৰ্যসূচী থাকিব। মহোৎসৱত প্ৰৱেশ সম্পূৰ্ণৰূপে বিনামূলীয়া কৰা হৈছে বুলি প্ৰকাশন পৰিষদৰ সূত্ৰই প্ৰকাশ কৰিছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই এই মহোৎসৱৰ সফলতা কামনা কৰি শুভেচ্ছা জ্ঞাপন কৰিছে। তেওঁ অভিভাৱকসকলক নিজৰ সন্তানক জ্ঞান আৰু সৃষ্টিৰ এই আনন্দময় মহোৎসৱত অংশগ্ৰহণৰ বাবে উৎসাহিত কৰিবলৈ আহ্বান জনায়।

ooooo

অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদে উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষৰ নামভৰ্তিৰ বাবে আজিৰে পৰা ১২ জুলাইলৈ দৰ্পন প'ৰ্টেল পুনৰ মুকলি ৰখাৰ কথা ঘোষণা কৰিছে। সেই অনুসৰি পৰিষদে নামভৰ্তি সম্পৰ্কীয় সবিশেষ তথ্যৰ বাবে বিদ্যালয় শিক্ষা পৰিষদৰ সংমণ্ডল দুইৰ ৱেবছাইট www.ahsec.assa.gov.in অথবা darpan.ahsec.online.inত চাবলৈ ছাত্ৰ-ছাত্ৰীসকলক আহ্বান জনাইছে। পৰিষদে নিৰ্দেশযোগে স্পষ্ট কৰি দিয়ে যে নিৰ্ধাৰিত সময়ৰ ভিতৰত ছাত্ৰ-ছাত্ৰীসকলে আবেদন প্ৰক্ৰিয়া সম্পন্ন কৰিব লাগিব। একেদৰে শিক্ষানুষ্ঠানসমূহে অহা ১৫ জুলাইৰ ভিতৰত নামভৰ্তিৰ প্ৰক্ৰিয়া সম্পূৰ্ণ কৰিব লাগিব। নামভৰ্তি প্ৰক্ৰিয়াক অফলাইন আবেদন কোনো পৰিস্থিতিতে গ্ৰহণ কৰা নহ'ব বুলি নিৰ্দেশনাটোত উল্লেখ কৰা হৈছে।

ooooo

ৰাজ্যৰ আন জিলাৰ লগতে বাক্সা আৰু বৰপেটাত জাপানীজ এনকেফেলাইটিছ ৰোগৰ প্ৰাদুৰ্ভাৱ বৃদ্ধি পাইছে। বাক্সা জিলাৰ এগৰাকী মহিলা এই ৰোগত আক্ৰান্ত হৈ গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালত চিকিৎসাধীন হৈ আছে। জাপানীজ এনকেফেলাইটিছত আক্ৰান্ত ৰোগী চিনাক্ত হোৱাৰ পাছতে জিলাখনৰ স্বাস্থ্য বিভাগে সজাগতামূলক কাৰ্যসূচী গ্ৰহণ কৰিছে। মাইকযোগে জনসাধাৰণক সচেতন কৰাৰ লগতে প্ৰচাৰ পত্ৰিকা বিতৰণ কৰা হৈছে বুলি জিলা মেলেৰীয়া বিষয়া প্ৰদীপ কুমাৰ হালৈয়ে আমাৰ সংবাদদাতাক জানিবলৈ দিয়ে। বৰপেটা জিলাত এই ৰোগৰ প্ৰাদুৰ্ভাৱ বৃদ্ধিৰ পৰিপ্ৰেক্ষিতত জিলা পৰ্যায়ৰ টাস্ক ফ'ৰ্চ সমিতিৰ এখন বৈঠক অনুষ্ঠিত হৈছে। এই বৈঠকত জিলাখনত জাপানীজ এনকেফেলাইটিছৰ সংক্ৰমণৰ সাম্প্ৰতিক পৰিস্থিতি সন্দৰ্ভত আলোচনা কৰা হয়। জাপানীজ এনকেফেলাইটিছৰ সংক্ৰমণ ধৰা পৰা অঞ্চলবোৰত ল'বলগীয়া অধিক সতৰ্কতামূলক ব্যৱস্থা, ফ'গিঙৰ ব্যৱস্থা কৰা সন্দৰ্ভতো পৰ্যালোচনা কৰা হয়। উল্লেখযোগ্য যে বৰপেটা জিলাত এই ৰোগত আক্ৰান্তৰ সংখ্যা ১৫ গৰাকীলৈ বৃদ্ধি হৈছে। একেদৰে জাপানীজ এনকেফেলাইটিছ সদৃশ ৰোগত আক্ৰান্ত লোক চিনাক্ত কৰা হৈছে। এই লোকসকলৰ তেজৰ নমুনা সংগ্ৰহ কৰি পৰীক্ষাৰ বাবে প্ৰেৰণ কৰা হৈছে।

ooooo

যোৰহাট জিলাত জাপানীজ এনকেফেলাইটিছ সদৃশ ৰোগৰ প্ৰাদুৰ্ভাৰ বৃদ্ধি পোৱাত জিলাখনৰ স্বাস্থ্য বিভাগে বিশেষ সতৰ্কতামূলক ব্যৱস্থা গ্ৰহণ কৰিছে। জিলাখনত জাপানীজ এনকেফেলাইটিছ ৰোগত আক্ৰান্তৰ সংখ্যা ১৪ গৰাকীলৈ বৃদ্ধি হৈছে। যোৰহাট চিকিৎসা মহাবিদ্যালয় হাস্পতালত ইয়াৰে ৩ গৰাকী ৰোগীৰ মৃত্যু হোৱা বুলি স্বাস্থ্য বিভাগে জানিবলৈ দিয়ে। ৰোগৰ প্ৰাদুৰ্ভাৰ বৃদ্ধি পোৱাৰ প্ৰতি লক্ষ্য ৰাখি জিলা পৰ্যায়ৰ এখন গুৰুত্বপূৰ্ণ বৈঠক অনুষ্ঠিত হয়। যোৰহাট চিকিৎসা মহাবিদ্যালয় হাস্পতালৰ অধীক্ষক, বিভিন্ন বিভাগৰ মুৰববী আৰু স্বাস্থ্য বিষয়া উপস্থিত থকা এই বৈঠকত বাহকজনিত ৰোগৰ সজাগতা সন্দৰ্ভত আলোচনা কৰা হয়।

ooooo

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি তামুলপুৰ জিলাৰ গোৰেশ্বৰৰ গুৰমৌত বড়ো জনগোষ্ঠীৰ বাথৌ থানচালি উদ্বোধন কৰে। ভৈয়াম জনজাতি উন্নয়ন পুঁজিৰ ধনেৰে নিৰ্মাণ কৰা বাথৌ থানচালি উদ্বোধন কৰি মুখ্যমন্ত্ৰী ড০ শৰ্মাই ৰাজ্যবাসীৰ কল্যাণৰ বাবে বাথৌ ভগৱানক প্ৰাৰ্থনা জনায়। মুখ্যমন্ত্ৰীগৰাকীয়ে গোৰেশ্বৰ মহাবিদ্যালয়ৰ সোণালী জয়ন্তীৰ সামৰণি অনুষ্ঠানতো অংশগ্ৰহণ কৰে।

ooooo

বিজ্ঞান আৰু প্ৰযুক্তি মন্ত্ৰী কেশৱ মহন্তই আজি গুৱাহাটীৰ সমীপৱৰ্ত্তী সোণাপুৰত নিৰ্মীয়মান বিজ্ঞান নগৰী প্ৰকল্প পৰিদৰ্শন কৰি ইয়াৰ নিৰ্মাণ কাৰ্যৰ অগ্ৰগতিৰ বুজ লয়। চলিত বছৰৰ ডিচেম্বৰত এই প্ৰকল্প আনুষ্ঠানিকভাৱে মুকলি হোৱাৰ সম্ভাৱনা আছে। ইয়াৰ পাছতে মন্ত্ৰীগৰাকীয়ে নিৰ্মাণ কাৰ্যৰ বিভিন্ন দিশ তদাৰকৰ দায়িত্বত থকা সংশ্লিষ্ট বিভাগ আৰু নিৰ্মাণকাৰী প্ৰতিষ্ঠানৰ বিষয়ববীয়াৰ সৈতে পৰ্যালোচনা বৈঠকত মিলিত হয়। উল্লেখযোগ্য যে কেন্দ্ৰীয় চৰকাৰৰ সংস্কৃতি মন্ত্ৰালয়ৰ বিজ্ঞান সংগ্ৰাহালয় আঁচনিৰ অধীনত ৰাজ্য আৰু কেন্দ্ৰীয় চৰকাৰৰ পুঁজিৰে এই অত্যাধুনিক বিজ্ঞান সংগ্ৰাহালয় হিচাপে বিজ্ঞান নগৰী প্ৰকল্প নিৰ্মাণৰ ব্যৱস্থা কৰা হৈছে। এই বিজ্ঞান নগৰীয়ে অসমৰ লগতে সমগ্ৰ উত্তৰ পূৰ্বাঞ্চলৰ বিজ্ঞান আৰু প্ৰযুক্তি ক্ষেত্ৰলৈ নতুন জোৱাৰ আনিব বুলি আশা কৰা হৈছে।

ooooo

নগাঁও জিলাৰ আয়ুক্ত দেৱাশীষ শৰ্মাই আজি পুৱা আকস্মিকভাৱে জিলাখনৰ কেইবাটাও চৰকাৰী কাৰ্যালয় পৰিদৰ্শন কৰে। ৰাজ্য চৰকাৰৰ নীতি অনুসৰি পুৱা ১০ বজাৰ পৰা চৰকাৰী কাৰ্যালয়সমূহত বিষয়া-কৰ্মচাৰীৰ উপস্থিতি নিশ্চিত কৰাৰ বাবে আয়ুক্তগৰাকীয়ে নগাঁও লোকনিৰ্মাণ বিভাগ, শিক্ষা বিভাগৰ উপ-পৰিদৰ্শকৰ কাৰ্যালয় আৰু নগাঁও সংমণ্ডলৰ বিদ্যালয়সমূহৰ পৰিদৰ্শকৰ কাৰ্যালয় আকস্মিকভাৱে পৰিদৰ্শন কৰে। এই পৰিদৰ্শন কালত বহুসংখ্যক বিষয়া-কৰ্মচাৰী সময়মতে কাৰ্যালয়ত উপস্থিত নোহোৱাক লৈ আয়ুক্তগৰাকীয়ে অসন্তুষ্টি ব্যক্ত কৰে। জিলা আয়ুক্তগৰাকীয়ে বিষয়া-কৰ্মচাৰীসকলৰ উপস্থিতিৰ বহীসমূহো জব্দ কৰে।

ooooo

যোৰহাট বিমান বন্দৰৰ প্ৰস্তাৱিত নতুন টাৰ্মিনেল ভৱনৰ প্ৰকল্প আৰু প্ৰৱেশ পথৰ ভূমি অধিগ্ৰহণ সন্দৰ্ভত জিলা আয়ুক্তৰ কাৰ্যালয়ত এখন বৈঠক অনুষ্ঠিত হয়। এই বৈঠকত জিলা আয়ুক্তগৰাকীয়ে বিমান বন্দৰ কৰ্তৃপক্ষৰ প্ৰতিনিধিৰ সৈতে ভূমি সম্পৰ্কীয় বিষয় আলোচনা কৰে। প্ৰকল্পৰ অগ্ৰগতিৰ বাবে গুৰুত্বপূৰ্ণ দিশসমূহৰ সন্দৰ্ভতো বিতংভাৱে বৈঠকত আলোচনা কৰা হয়। এই বৈঠকত অতিৰিক্ত জিলা আয়ুক্ত, চক্ৰ বিষয়া, লোকনিৰ্মাণ বিভাগৰ অভিযন্তা আৰু জিলা প্ৰশাসনৰ জ্যেষ্ঠ বিষয়াসকল উপস্থিত থাকে।

ooooo

পঞ্চায়ত আৰু গ্ৰামোন্নয়ন মন্ত্ৰী ৰণজিত কুমাৰ দাসে আজি মৰিগাঁও জিলাত বিভিন্ন আঁচনিৰ কাম-কাজৰ অগ্ৰগতিৰ পৰ্যালোচনা কৰে। তেওঁ মৰিগাঁও জিলাৰ সকলো খণ্ড উন্নয়ন বিষয়াৰ সৈতে প্ৰধানমন্ত্ৰী আৱাস যোজনা গ্ৰামীণৰ অগ্ৰগতিৰ বিষয়ে

আলোচনা কৰে। শ্ৰীদাসে জাতীয় সামাজিক সহযোগিতা কাৰ্যসূচীৰ অধীনত আধাৰ নম্বৰ প্ৰেৰণৰ ব্যৱস্থা সন্দৰ্ভত প্ৰতিবেদন বিচাৰে। ইয়াৰ পাছত অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানৰ অধীনত গঠিত আত্মসহায়ক গোটসমূহৰ সংখ্যা, কাৰ্যকলাপ, ঋণৰ সুবিধা আৰু বজাৰ সংযোগৰ বিষয়ে মন্ত্ৰীগৰাকীয়ে আলোচনা কৰে। তেওঁ জিলা প্ৰশাসনক এই গোটসমূহৰ সদস্যসকলক অধিক প্ৰশিক্ষণ আৰু দক্ষতা বিকাশৰ সুযোগ দিয়াৰ নিৰ্দেশ দিয়ে। তদুপৰি আঁচনিসমূহৰ দ্ৰুত আৰু স্বচ্ছ ৰূপায়ণৰ বাবে গাঁও পঞ্চায়ত পৰ্যায়ত সজাগতা সৃষ্টিৰ ওপৰতো তেওঁ গুৰুত্ব দিয়ে।

০০০০০

ধুবুৰী জিলাৰ চাপৰৰ শ্ৰীগ্ৰাম ষষ্ঠ খণ্ডৰ মছকাগুৰী গাঁৱত সংঘটিত এটা দুৰ্ঘটনাত চাৰিজন লোক নিহত হৈছে। এখন ইটাভৰ্তি ট্ৰাক নিয়ন্ত্ৰণ হেৰুৱাই দ খাবৈত বাগৰি পৰাত চাৰিজন লোক নিহত হয়। দুৰ্ঘটনাত দুজন লোক কথমপি ৰক্ষা পৰে। স্থানীয় ৰাইজ আৰু আৰক্ষীয়ে খাবৈৰ পৰা চাৰিজন লোকৰ মৃতদেহ উদ্ধাৰ কৰিছে।

০০০০০

শোণিতপুৰ জিলাৰ গোলাপ বৰবৰা ৰাজ্যিক গ্ৰামোন্নয়ন প্ৰশিক্ষণ কেন্দ্ৰত আজিৰে পৰা পাঁচদিনীয়াকৈ পঞ্চায়তৰ প্ৰতিনিধিসকলৰ প্ৰশিক্ষণ অনুষ্ঠিত হৈছে। পঞ্চায়ত আৰু গ্ৰামোন্নয়ন মন্ত্ৰী ৰঞ্জিত কুমাৰ দাসে জিলাখনৰ ৭৫গৰাকী নিৰ্বাচিত সভাপতি আৰু সভানেত্ৰীৰ প্ৰশিক্ষণ কাৰ্য উদ্বোধন কৰে। মন্ত্ৰীগৰাকীয়ে অনাগত দিনত পঞ্চায়তসমূহত সুশাসন প্ৰৱৰ্তন কৰাৰ বাবে নিষ্ঠাৰে কাম কৰিবলৈ প্ৰতিনিধিসকলৰ প্ৰতি আহ্বান জনায়। অনুষ্ঠানত পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ সচিব মুনীন্দ্ৰ শৰ্মা, শোণিতপুৰ জিলাৰ অতিৰিক্ত আয়ুক্ত জয়ন্ত গোস্বামীৰ লগতে বিভাগীয় বিষয়াসকল উপস্থিত থাকে। ড

০০০০০

শিক্ষা মন্ত্ৰী ডাঃ ৰণোজ পেগুৱে আজি বিশ্বনাথ জিলাৰ মাজুলীগড় অঞ্চলত নিৰ্মাণ কৰা আদৰ্শ আৱাসিক বিদ্যালয় পৰিদৰ্শন কৰে। প্ৰধানমন্ত্ৰী জন বিকাশ কাৰ্যক্ৰম আঁচনিৰ অধীনত নিৰ্মাণ কৰা এই বিদ্যালয়খনে জিলাখনৰ চাহ বাগিচা অঞ্চলৰ ছাত্ৰ-ছাত্ৰীসকলক উপকৃত কৰিব। সদৌ অসম চাহ জনজাতি ছাত্ৰ সন্থা আৰু অঞ্চলটোৰ ৰাইজে এই আৱাসিক বিদ্যালয়খন আদৰ্শ মহাবিদ্যালয় হিচাপে গঢ়ি তোলাৰ বাবে শিক্ষামন্ত্ৰীগৰাকীক আহ্বান জনায়। ডাঃ পেগুৱে এই শিক্ষানুষ্ঠানখনক পৰৱৰ্তী সময়ত পলিটেকনিক মহাবিদ্যালয় হিচাপে গঢ়ি তোলা হ'ব বুলি উল্লেখ কৰে। শিক্ষানুষ্ঠানখনত অহা বৰ্ষত পাঠদান আৰম্ভ হ'ব বুলি তেওঁ লগতে জানিবলৈ দিয়ে।

০০০০০

গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালৰ অস্থিৰোগ বিভাগৰ এটা কোঠাত আজি অগ্নিকাণ্ড সংঘটিত হয়। নথি-পত্ৰ থকা এটা কোঠাৰ ভিতৰত জুই লাগি ধোঁৱা নিৰ্গত হোৱা চিকিৎসক, নাৰ্ছ আৰু কৰ্মচাৰীৰ মাজত হাহাকাৰ পৰিস্থিতিৰ সৃষ্টি হয়। অৱশ্যে অগ্নিনিৰ্বাপক বাহিনীৰ লোকে তৎপৰতাৰে জুই নিৰ্বাপন কৰিবলৈ সমৰ্থ হয়। শ্বৰ্ট চাৰ্কিটৰ ফলত জুইৰ সূত্ৰপাত হোৱা বুলি সন্দেহ কৰা হৈছে।

০০০০০

কামৰূপ জিলাৰ আমিনগাঁৱত আজি ডায়েৰীয়া ৰোধ অভিযান ২০২৫ শীৰ্ষক জিলা পৰ্যায়ৰ পৰিচালনা সমিতিৰ এখন বৈঠক অনুষ্ঠিত হয়। কামৰূপ জিলা আয়ুক্ত দেৱ কুমাৰ মিশ্ৰৰ সভাপতিত্বত অনুষ্ঠিত এই বৈঠকত জিলাখনত ডায়েৰীয়া ৰোগ প্ৰতিৰোধৰ বাবে ল'বলগীয়া প্ৰয়োজনীয় ব্যৱস্থাৱলী সন্দৰ্ভত আলোচনা কৰা হয়। অহা ১০ জুলাইৰ পৰা ২৫ ছেপ্তেম্বৰলৈ হ'বলগীয়া ডায়েৰীয়া নিৰ্মূল অভিযানত সকলো বিভাগ একত্ৰিত হৈ ডায়েৰীয়া প্ৰতিৰোধৰ উপায়ৰ লগতে এই ৰোগত আক্ৰান্ত শিশুৰ যতন সম্পৰ্কে সজাগতা বৃদ্ধিৰ ওপৰত সভাত আলোচনা কৰা হয়। পৰ্যালোচনা বৈঠকত স্বাস্থ্য বিভাগৰ লগতে সমাজ কল্যাণ, শিক্ষা, জনস্বাস্থ্য আৰু কাৰিকৰী, পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ বিষয়া উপস্থিত থাকে।

০০০০০

গোৱালপাৰা জিলাৰ লেডি বাগ্ ফুটবল ক্লাবৰ উদ্যোগত আজিৰে পৰা কল্যাণপুৰত বিৰুবালা ৰাভা সোঁৱৰণী মহিলা ফুটবল প্ৰতিযোগিতা অনুষ্ঠিত হৈছে। আজিৰ উদ্বোধনী খেলত দুধনৈ মহিলা দলে বনগাঁও শিঙিমাৰী দলক ৪-০ গ'লত পৰাস্ত কৰে। উদ্বোধনী খেলৰ পূৰ্বে পদ্মশ্ৰী সন্মান লাভ কৰা বিৰুবালা ৰাভাৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন কৰা হয়। প্ৰতিযোগিতাখনত মুঠ ৮টা দলে অংশগ্ৰহণ কৰিছে।

০০০০০

অসম ডাউন-টাউন বিশ্ববিদ্যালয়ত আজিৰে পৰা সপ্তম বাৰ্ষিক আয়োধনা আন্তঃৰাষ্ট্ৰীয় ফিডে ৰেটিং দবা প্ৰতিযোগিতা অনুষ্ঠিত হৈছে। দবা খেলুৱৈ অভিভাৱক সন্থাই আয়োজন কৰা এই প্ৰতিযোগিতাখনত দেশৰ ভিন্ন প্ৰান্তৰ ৩৩৪ গৰাকী খেলুৱৈয়ে অংশগ্ৰহণ কৰিছে। এই প্ৰতিযোগিতাখন দবা খেলুৱৈ অভিভাৱক সন্থাৰ সভাপতি ড০ শিবেন দত্তই আদৰণি ভাষণেৰে শুভাৰম্ভ কৰে।

০০০০০

সমাপ্ত